**অসম বিধান সভা**

**তৰাবিহীন প্ৰশ্ন নং : ৩৯২**

**উত্তৰ দানৰ তাৰিখ : ১৫-০৭-২০২৬**

*বিষয়* : নগাৰ আগ্ৰাসন প্ৰতিৰোধ।

ম: বদৰুদ্দিন আজমল, বিধায়ক :

মাননীয় সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসম-নাগালেণ্ড সীমান্তৱৰ্তী উৰিয়ামঘাট, মেৰাপানী আদি অঞ্চলত চৰকাৰে অসমৰ লোকক উচ্ছেদ কৰাৰ সময়ত নাগালেণ্ড আৰক্ষীয়ে সহযোগ কৰা কথাটো সত্য নে ?

(খ) সীমান্ত এলেকাৰ লোকসকলক উচ্ছেদ কৰাৰ পিছত এই এলেকাৰ ভূমি নগা লোকে দখল কৰাৰ পৰিকল্পনাৰে তেওঁলোকে উচ্ছেদ কাৰ্য্যত সহায় কৰিছিল নেকি ?

(গ) উচ্ছেদিত লোকসকল আঁতৰি অহাৰ পিছত উক্ত এলেকা দখল কৰিবলৈ নগা লোকসকলে আগ্ৰাসী স্থিতি লোৱা কথাটো সঁচা নে ?

(ঘ) নগা লোকে সীমান্তৱৰ্তী অসমীয়া লোকসকলক Government of the People's Republic, Office of the Newland Region ৰ তৰফৰ পৰা কৰ আদায়ৰ নিৰ্দেশ দিয়া সম্পৰ্কে চৰকাৰ অৱগত নে ?

(ঙ) নাগালেণ্ডৰ আগ্ৰাসন ৰোধ কৰাৰ লগতে সীমান্তৱৰ্তী অসমীয়া লোকসকলক সুৰক্ষা দিবলৈ চৰকাৰে কি পদক্ষেপ গ্ৰহণ কৰিছে ?

**উত্তৰ:**

পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ মাননীয় মন্ত্ৰী শ্ৰী জয়ন্ত মল্ল বৰুৱা মহোদয়ে উত্তৰ দিব :

(ক) গোলাঘাট বন সংমণ্ডলৰ অধীনত উৰিয়ামঘাট, মেৰাপানী আদি অঞ্চলত চৰকাৰে উচ্ছেদ কৰাৰ সময়ত নাগালেণ্ড আৰক্ষীয়ে নিজৰ নাগালেণ্ড এলেকাত সুৰক্ষা দি আছিল আৰু উচ্ছেদৰ সময়ত Neutral Force (CRPF) এ শান্তি শৃংখলা বজাই ৰখাত সহযোগ কৰিছিল।

(খ) সত্য নহয়।

(গ) উচ্ছেদিত লোকসকল আঁতৰি অহাৰ পিছত উক্ত এলেকা দখল কৰিবলৈ নগা লোকসকলে আগ্ৰাসী স্থিতি লোৱা কথাটো সঁচা নহয়।

(ঘ) অসম-নাগালেণ্ড সীমান্তত থকা লোক সকলক Government of the People's Republic, Office of the Newland Region ৰ তৰফৰ পৰা কৰ আদায়ৰ সম্পৰ্কে বন বিভাগ অৱগত নহয়।

(ঙ) অসম-নাগালেণ্ড সীমান্তৱৰ্তী ৰাজহ এলেকাত বসবাস কৰা লোক সকলক নিৰাপত্তা প্ৰদানৰ বিষয়টো বন বিভাগৰ আওঁতাত নপৰে।

****